[23-HKPD1SNP-24 M]

MA 1st Semester (NEP) Exam. 2023 (W)

ASSAMESE (DSE)

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ / উপভাষা বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা / ধ্বনি বিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

[AS S1 -04/AS S1-05/AS S1-06]

Full Marks : 70

Time : 3. hours

The figures in the right-hand margin indicate marks.

1144 (PDEAS)

ASSAMESE (DSE)

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ)

[AS S1 -04]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) ১৯৪০-৭০ চন পৰ্যন্ত অসমীয়া চুটি গল্পকাৰসকলক পাশ্চাত্যৰ কোনবোৰ ধাৰাৰ আকৃষ্ট কৰিছিল বিশ্লেষণ কৰক ।

(*b*) উত্তৰ ৰামধেনু সময়ছোৱাত অসমীয়া গল্পকাৰসকলৰ গল্পত কেনেদৰে পাশ্চাত্য ভাৱধাৰাৰ প্ৰভাৱ পৰিছিল সেই বিষয়ে উদাহৰণসহ আলোচনা কৰক ।

(*c*) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্ব (১৯৪০-৭০) আৰু দ্বিতীয় পৰ্ব (১৯৭০-২০০০) চনৰ অসমীয়া উপন্যাস সাহিত্যত পাশ্চাত্য প্ৰভাৱৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক ।

(*d*) ১৯৭০-২০০০ চনত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰক ।

(*e*) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্ব (১৯৪০-৭০) চনৰ অসমীয়া আঁধুনিক কবিসকলক কোন কোন পাশ্চাত্যৰ কবিৰ চিন্তাই বিশেষভাৱ প্ৰভাৱিত কৰিছিল উদাহৰণসহ আলোচনা কৰক ।

(*f*) অজিৎ বৰুৱা আৰু নীলমণি ফুকনৰ কবিতাত কেনেদৰে পাশ্চাত্য কবিসকলৰ চিন্তাৰ প্ৰকাশ ঘটিছে আলোচনা কৰক ।

(*g*) 'পাশ্চাত্য সাহিত্যৰ অসমীয়ালৈ অনুবাদ' শীৰ্ষক এটি নিবন্ধ যুগুত কৰক ।

(*h*) আধুনিক অসমীয়া সাহিত্য বিকাশত পাশ্চাত্য সাহিত্যৰ প্ৰত্যক্ষ পৰোক্ষ প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) অসমীয়া ৰোমাণ্টিক কবিকূলক পাশ্চাত্যৰ কোন কোন কবিয়ে আকৃষ্ট কৰিছিল- আলোচনা কৰক ।

(*b*) 'আধুনিক অসমীয়া নাটকৰ আৰম্ভণী পৰ্বত শ্বেইক্সপীয়েৰৰ প্ৰভাৱ আছিল অতি গভীৰ'- কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক ।

(*c*) ৰজনীকান্ত বৰদলৈৰ উপন্যাসত স্পটৰ প্ৰভাৱ কিমান ? বিশ্লেষণ কৰক ।

(*d*) অসমীয়া নাটকত ইবচেনীয় নাট্যৰীতিৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক ।

(*e*) 'যাদুকৰী বাস্তৱতাবাদ' আৰু অসমীয়া উপন্যাস সম্পৰ্কে এটি আলচ প্ৰস্তুত কৰক ।

(*f*) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত কিমান দূৰ পাশ্চাত্য গল্পকাৰৰ প্ৰভাৱ আছে বিচাৰ কৰক ।

1145 (PDEUB)

ASSAMESE (DSE)

(উপভাষা বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা)

[AS SÍ -05]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) মান্যভাষা কাক বোলে ? মান্যভাষা এটা পুনৰ উপভাষাৰ ৰূপ পাবলৈ কি কি ক্ৰিয়াই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিব পাৰে ? আলোচনা কৰক ।

(*b*) কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰক ।

(*c*) গোৱালপৰীয়া উপভাষা অসমৰ কোন অঞ্চলত প্ৰচলিত ? এই উপভাষাটোৰ ভৌগোলিক অৱস্থান দাঙি ধৰি ভাষাটোৰ ঐতিহাসিক পটভূমি বিচাৰ কৰক ।

(*d*) মান্যভাষাৰ সৈতে মধ্য অসমৰ উপভাষাৰ কি কি ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়, আলোচনা কৰক ।

(*e*) দৰঙী উপভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক ।

(*f*) অসমৰ নৃগোষ্ঠীয় উপভাষাকেইটিৰ একোটিকৈ চমু পৰিচয় দাঙি ধৰক ।

(*g*) অসমীয়া জাতিগত উপভাষা বুলিলে কি বুজা যায় ? চিলেটিয়া উপভাষাৰ এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰক ।

(*h*) উত্তৰ পূৰ্বাঞ্চলৰ সামাজিক-সাংস্কৃতিক সমন্বয় সাধনত সংযোগী ভাষাৰ গুৰুত্ব ব্যাখ্যা কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে কেইটিমান যুক্তি আগবঢ়াওক ।

(*b*) ডাইগ্লশ্বিয়া বা দ্বিপাৰ্শ্বী পৰিস্থিতি সম্পৰ্কে বহলাই লিখক ।

(*c*) চমুটোকা লিখক ঃ

(*i*) পিজিন আৰু ক্ৰেওল

(*ii*) উপভাষা ভূগোল

(*d*) কামৰূপী উপভাষাৰ শব্দগত বৈচিত্ৰ্য সম্পৰ্কে উদাহৰণ দি এটি টোকা প্ৰস্তুত কৰক ।

(*e*) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ কেইটা আৰু কি কি ? ৰূপকেইটাৰ ভাষিক বৈশিষ্ট্যৰ এটি আলোচনা দাঙি ধৰক ।

(*f*) 'অসমীয়া ভাষাৰ সমকালীন ৰূপ' এটি আভাস দিয়ক ।

1146 (PDEDB)

ASSAMESE (DSE)

(ধ্বনি বিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

[AS S1 -06]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) বাগিন্দ্ৰিয় কাক বোলে ? বাগিন্দ্ৰিয়ৰ এটি চিত্ৰ আঁকি ইয়াৰ অঙ্গসমূহ উল্লেখ কৰক আৰু বিভিন্ন ব্যঞ্জন ধ্বনি উচ্চাৰণত বাগিন্দ্ৰিয়ৰ অঙ্গসমূহে কেনেদৰে ভূমিকা লয় সেই বিষয়ে লিখক ।

(*b*) নিয়ত বা স্পৰ্শ ধ্বনি কাক বোলে ? অসমীয়া ভাষাত নিয়ত ধ্বনি কেইটা আৰু কি কি ? উচ্চাৰণৰ স্থান, ধৰণ আৰু ধ্বনিৰ গুণ অনুযায়ী নিয়ত ধ্বনি সমূহক তালিকাভুক্ত কৰি দেখুৱাওক ।

(*c*) বিশিষ্ট ধ্বনি কাক বোলে ? বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত পাৰ্থক্য কিয় সৃষ্টি হ'ব পাৰে ? অসমীয়া ভাষাৰ প্ৰসংগত বিষয়টো আলোচনা কৰি কাৰণসমূহ দেখুৱাওক আৰু বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ এখন তালিকা প্ৰস্তুত কৰক ।

(*d*) প্ৰাচীন কামৰূপৰ প্ৰত্নলেখসমূহত পৰিলক্ষিত ধ্বনিতাত্ত্বিক পৰিৱৰ্তনসমূহ আলোচনা কৰক ।

(*e*) অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ এটা তুলনামূলক আলোচনা আগবঢ়াওক ।

(*f*) অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত আৰ্য্যভিন্ন ভাষাৰ কোনসমূহ উপাদান সোমাই পৰিছে উদাহৰণসহ আলোচনা কৰক ।

(*g*) 'অসমীয়া আখৰ- জোঁটনিৰ ক্ৰমবিকাশ' শীৰ্ষক এটা প্ৰবন্ধ লিখক ।

(*h*) অসমীয়া ভাষাৰ অনলাইন আৰু ছফ্‌টৱেৰ অভিধানসমূহৰ বিষয়ে আলোচনা কৰক । অসমীয়া ভাষাৰ পৰিবৃদ্ধি সাধনত এই অভিধানসমূহ আৰু ইউনিক'ডে কেনেদৰে সহায় কৰিব পাৰে বিশ্লেষণ দাঙি ধৰক ।

2. তলৰ প্রশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্রতিটো প্রায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) ভাষাবিজ্ঞান কাক বোলে ? ভাষাবিজ্ঞানৰ অধ্যয়নক ধ্বনিবিজ্ঞানে কিদৰে সহায় কৰিব পাৰে আলোচনা কৰক ।

(*b*) বাগধ্বনি কি ? ধ্বনিবিজ্ঞানৰ অন্তর্গত বিভাগসমূহৰ বিষয়ে লিখক ।

(*c*) উপধ্বনি কাক বোলে ? ধ্বনিৰ প্রয়োগ আৰু পৰিবেশৰ আধাৰত উপধ্বনি কেনেদৰে নির্ণয় কৰা হয় উপযুক্ত উদাহৰণৰ সহায়ত আলোচনা কৰক ।

(*d*) উপহিত বর্ণ কাক বোলে ? উপহিত বর্ণসমূহৰ বিষয়ে চমুকৈ লিখক ।

(*e*) ধ্বনিৰ বিৰোধী প্রয়োগ কাক বোলে ? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ যি তিনিধৰণৰ বিৰোধ হয় সেয়া উদাহৰণসহ আলোচনা কৰক ।

(*f*) আন্তঃৰাষ্ট্রীয় ধ্বনিলিপিৰ প্রয়োজনীয়তা সম্পর্কে লিখি ইয়াৰ সহায়ত লিপ্যন্তৰ কেনেদৰে কৰা হয় উদাহৰণ দেখুৱাওক ।